# সত্যৰ প্ৰকাশ



লিখক
হজৰত মির্জা গোলাম
আহমদ প্ৰতিশ্ৰুত মছীহ
ও ইমাম মাহদী (আঃ)

প্ৰকাশক
নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান

# সত্যৰ প্ৰকাশ

লিখক
হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী
প্ৰতিশ্ৰুত মছীহ ও মাহদী (আঃ)

অনুবাদক
মজিবৰ ৰহমান মুবাল্লিগ ছিলছিলা
(ইনচাৰ্জ অসমীয়া ডেস্ক)

| | |
|---|---|
| নাম কিতাপ | সত্যৰ প্ৰকাশ |
| মূল কিতাপ | ছচ্ছাই কা ইজহাৰ |
| লিখক | হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী<br>প্ৰতিশ্ৰুত মছীহ ও মাহদী (আঃ) |
| অনুবাদক | মজিবৰ ৰহমান মুবাল্লিগ ছিলছিলা<br>(ইনচাৰ্জ অসমীয়া ডেস্ক) |
| প্ৰকাশক | নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান |
| প্ৰথম প্ৰকাশ | ২০২৪, ৩০০ কপি |
| মূদ্ৰণে | ফজলে উমৰ প্ৰিণ্টিং প্ৰেছ কাদিয়ান<br>জিলা গুৰদাছপুৰ,১৪৩৫১৬ (পঞ্জাৱ) |

| | |
|---|---|
| Name Book | Hattar Prakash |
| Original Book | Sachai Ka Izhar |
| Author | Hazrat Mirza Ghulam Ahmad<br>Promise Messiah(as) |
| Translated by | Mozibar Rahman Muballig Silsila |
| Published by | Nazarat Nashr-O-Ishaat Qadian |
| First Published | 2024, 300 Copies |
| Printed at | Fazle Umar Printing Press Qadian<br>Dist,Gurdaspur, 143516 (Punjab) |

# প্ৰকাশকৰ কথা

হজৰত মছীহ মাউওদ (আঃ)ৰ লিখিত **ছচ্চাই কা ইজহাৰ** পুস্তকখন উৰ্দুৰ পৰা অসমীয়ালৈ অনুবাদ কৰিছে মাননীয় মজিবৰ ৰহমান চাহাব মুবাল্লিগ ছিলছিলা। পুস্তকখনৰ ৰিভিউ কৰিছে মাননীয় ছফৰ আলী আহমেদ চাহাব সদস্য ৰিভিউ কমিটি অসম, মাননীয় নাজিম উদ্দিন মোল্লা চাহাব মুবাল্লিগ ছিলছিলা, মাননীয় আমান আলি চাহাব মুবাল্লিগ ছিলছিলা, মাননীয় মজিবৰ ৰহমান চাহাব মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্ক)। ইয়াৰ ওপৰিও যিসকলে পুস্তকখন প্ৰকাশ কৰাত সহায় সহযোগীতা আগবঢ়াইছে আল্লাহ তা'লা তেখেত  সকলক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক।

**নাজিৰ নশ্বৰ ও ইশ্বায়ত কাদিয়ান**



হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী (আঃ)
(১৮৩৫-১৯০৮)

## লিখক পৰিচিত

হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী মছীহ ও মাহদী মাওউদ (আঃ) ১৮৩৫ চনত ভাৰতবৰ্ষৰ এখন গাওঁ কাদিয়ানত জন্ম গ্ৰহণ কৰে। সৰু কালৰে পৰা তেখেত (আঃ)য়ে উপাসনাত মগ্ন থাকিছে। কোৰাণ মজিদ আৰু অন্যান্য কিতাপসমূহ অধ্যয়ন কৰাত মগ্ন থাকিছে। ইছলাম সেই সময়ত চাৰিওফালৰ পৰা আক্ৰমণাত্মাক অৱস্থাত আছিল। ইছলামৰ সেই পৰিস্থিতি চাই তেখেত (আঃ)য়ে বৰ দুঃখ প্ৰকাশ কৰিছিল। ইছলামৰ ওপৰত কৰা আক্ৰমণ দূৰ কৰিবলৈ আৰু ইছলামৰ শিক্ষা পৃথিৱীৰ বুকুত বিস্তাৰ কৰিবলৈ তেখেত (আঃ) য়ে ৯০ খনৰো অধিক পুস্তক ৰচনা কৰিছে, আৰু সহস্ৰ চিঠি-পত্ৰিকা লিখিছে,আৰু বহু ধৰ্মীয় যুক্তিসঙ্গত তৰ্ক-বিতৰ্ক কৰিছে। তেখেত (আঃ)য়ে কৈছে যে ইছলাম সেই জীৱিত ধৰ্ম যি মানৱ-জাতিৰ নিজৰ সত্তা স্ৰষ্টাৰ সৈতে সম্পৰ্ক গঢ়ি তুলিব পাৰে,যাৰ অনুসৰণ কৰি মানৱ চৰিত্ৰ আৰু আধ্যাত্মিক মৰ্যাদা উন্নীত কৰিব পাৰে। কম বয়সতে তেখেত (আঃ)য়ে দিব্য দৰ্শন কথোপকথনৰ মৰ্যাদা লাভ কৰিছে। ১৮৮৯ চনত তেখেত (আঃ)য়ে বয়াতৰ ছিলছিলা আৰম্ভ কৰে আৰু এক পৱিত্ৰ জমাতৰ বুনিয়াদ ৰাখে। শৃঙ্খলাবদ্ধতা কথোপকথনত প্ৰত্যেক দিন উন্নতি লাভ কৰিছে,আৰু তেখেত (আঃ)য়ে আল্লাহৰ আদেশানুযায়ী ঘোষণা কৰে যে তেখেত শেষ যুগৰ মুচলেহ (সংস্কাৰক) যাৰ ভৱিষ্যতবাণী বিভিন্ন ধৰ্ম গ্ৰন্থত বিভিন্ন নামেৰে নামাকৰণ আছে। তেখেত (আঃ)য়ে এয়াও দাবী কৰিছে যে তেখেত সেই মছীহ ও মাহদী যাৰ আবিৰ্ভাৱৰ ভৱিষ্যতবাণী আঁহজৰত (ছাঃ)য়ে কৰি গৈছিল। আহমদীয়া মুছলিম জামাত বৰ্তমান ২০০ ৰো অধিক দেশত বিস্তাৰ লাভ কৰিছে।

১৯০৮ চনত তেখেত (আঃ)ৰ মৃত্যুৰ পিছত কোৰাণ মজিদ আৰু আঁহজৰত (ছাঃ)ৰ ভৱিষ্যতবাণী অনুযায়ী তেখেত (আঃ)ৰ মিচন পৰিপূৰ্ণ হোৱাৰ বাবে খলিফাৰ ব্যৱস্থাপনা প্ৰতিষ্ঠিত হয়। বৰ্তমান বিশ্বৰ ইমাম হজৰত মিৰ্জা মছৰুৰ আহমদ চাহাব আহমদীয়া মুছলিম জামাতৰ পঞ্চম খলিফা হয়।

بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ

**পাদুৰি চাহাবক শ্বেখ বাটালৱী চাহাবৰ লিখিত ইশ্বায়াতুচ্ছুন্নাহৰ জৰিয়তে ধৰ্মীয় কামৰ ক্ষেত্ৰত সুস্পষ্ট সহায় লাভ হৈছিল, তাৰ উল্লেখ**

আমেৰিকাৰ মিচন প্ৰেছ্ লুধিয়ানত ডাক্তৰ হেনৰী মাৰ্টিন ক্লাৰ্ক এম.ডি মেডিকেল মিচনাৰীয়ে অমৃতছৰৰ তৰফৰ পৰা এটা বিজ্ঞাপন এই অধমৰ প্ৰতিদ্বন্দ্বিতাত ১২ মে ১৮৯৩ চনত প্ৰকাশ কৰিছিল; য'ত এজন খ্যাতি লাভ কৰা মৌলবী শ্বেখ মহম্মদ হুছেইন বাটালা বাসিন্দাৰ কৃতজ্ঞতা জ্ঞাপন কৰে, বাস্তৱতে খ্ৰীষ্টান সকলৰ বাবে ধন্যবাদৰ বিষয় আছিল, কাৰণ ডাক্তৰ চাহাবে এই অধমৰ সৈতে ইছলাম আৰু খৃষ্টীয় ধৰ্মৰ সমালোচনা, অনুসন্ধান, সঁচা আৰু মিছাক তদন্ত কৰাৰ বাবে মুবাহিছা (তৰ্ক-বিতৰ্ক) কৰিব বুলি প্ৰস্তুত আছিল যদিও চিন্তা-ভাৱনা কৰাৰ পিছত ডাক্তৰ চাহাব বৰ ভীতিগ্ৰস্ত হৈ পৰিছিল। সঁচা এয়া যে মানুহক খোদাৰ স্থান দিয়াৰ ফলত শৰীৰ কঁপি উঠে। খোদা খোদাই হয়, আৰু মানুহ মানুহই হয়।

چہ نسبت خاک را با قادر پاک۔

পাদুৰি চাহাবে এই কাৰণে ভীতিগ্ৰস্ত হৈ পৰিছিল যে ইছলামৰ সঠিক পথৰ প্ৰতিদ্বন্দ্বিতাৰ ফলত খ্ৰীষ্টান সকলৰ সকলোবোৰ ৰহস্য মুকলি যেন হৈ নাযায়, সেই কাৰণে এয়া প্ৰয়াস কৰে যে এই বেহেছ (তৰ্ক-বিতৰ্ক) কেনেবাকৈ স্থগিত যেন হৈ যায়। এই ভীতিগ্ৰস্তৰ

সময়ত শ্বেখ চাহাবৰ ফালৰ পৰা সহায় পালে; বাস্তৱতে ধাৰণা হয় যে শ্বেখ চাহাবে সহায়ৰ বাবে পাদুৰি চাহাবৰ সেৱালৈ উপস্থিত হৈ গৈছিল; কাৰণ ডাক্তৰ চাহাবে মোলৈ যি পত্ৰ লিখিছিল তাতে اشاعة السنة ৰ কিছু বিষয়াৱলী উল্লেখ আছিল, সেই বাক্যাংশ শ্বেখ চাহাবৰ বাক্যাংশৰ সৈতে সাদৃশ্য আছিল, যদি শ্বেখ চাহাবক শপত লৈ ক'বলৈ কোৱা হয়, তেন্তে সম্ভৱত অস্বীকাৰো নকৰিব; সেই পৰিশিষ্ট **নুৰে আফশ্বাহ** যি ১২ মে ১৮৯৩ চনত প্ৰকাশিত হয় সেয়া এতিয়া আমাৰ হাততেই আছে, যদি সেই ফালে গভীৰ দৃষ্টি নিক্ষেপ কৰা হয়, তেন্তে এই সাক্ষী বহন কৰে যাৰ বিৱৰণ নিম্নৰ বাক্যাংশত, আপুনি (হে জাণ্ডিয়ালৰ বাসিন্দা সকল) এজন এনেকুৱা বুজুৰ্গক (অৰ্থাৎ এই অধমক) তৰ্ক-বিতৰ্কৰ বাবে উত্থাপন কৰি আছে যাক প্ৰাথমিক ভাৱে এজন মহম্মদী ব্যক্তি হিচাপেও পৰিগণিত কৰাও সম্ভৱ নহয়। আপোনালোকে কেনে ধ্যান-ধাৰণাত নিপতিত হৈ আছে। আপোনালোকে সেই ফতোৱা যি পঞ্জাৱ আৰু হিন্দুস্থানৰ ইছলামৰ আলিম সকলে মিৰ্জা গোলাম আহমদৰ সপক্ষে প্ৰকাশিত কৰিছিল সেই ফালে দৃষ্টি নিক্ষেপ কৰা নাই নে ? সেই ফতোৱাবোৰত এয়া উল্লেখ কৰিছে যে তাৰ মাজৰ কিছু প্ৰশ্ন কৰোঁতাৰ উত্তৰত কৈছো আৰু কাদিয়ানৰ পক্ষত ফতোৱা দিছে সেই সমূহ শুদ্ধ। গ্ৰন্থ, ছুন্নত আৰু উম্মতৰ আলিম সকলৰ কথনে ইয়াৰ সাক্ষী বহন কৰে। সমগ্ৰ মুছলমান সকলৰ উচিত যে সিহঁতে এনেকুৱা দাজ্জাল (প্ৰতাৰক) আৰু কাজ্জাব (মিছলীয়া)ৰ পৰা আঁতৰত থাকিব। তেওঁৰ সৈতে ধৰ্মৰ ক্ষেত্ৰত কোনো সম্বন্ধ নাৰাখিব; ইছলামৰ ক্ষেত্ৰতো তেওঁৰ সৈতে বন্ধুত্ব নাৰাখিব, তেওঁক প্ৰথমে ছালাম নজনাব, তেওঁক আমন্ত্ৰণ

নকৰিব, আৰু তেওঁৰ নিমন্ত্ৰণ গ্ৰহণ নকৰিব, আৰু তেওঁৰ অনুসৰণ নকৰিব, আৰু তেওঁৰ নামাজে জানাজাও নপঢ়িব। এইসকল ধৰ্মৰ চুৰ হয়,ৰোগাক্ৰান্ত বৃদ্ধি কৰে। দাজ্জাল, কাজ্জাব, অভিশপ্ত, নাস্তিক আৰু ইছলামৰ সীমাৰ পৰা বাহিৰত, কাফিৰ হয়; অপৱিত্ৰ কাফিৰ। ইবলিছে সিহঁতক পথভ্ৰষ্ট কৰিছে আৰু সিহঁত অইনকো পথভ্ৰষ্ট কৰোঁতা। ছুন্নত আৰু জামাতৰ পৰা খাৰিজ, বহুত ডাঙৰ দাজ্জাল হয়; বৰং এনেকুৰা দাজ্জাল যে ধৰ্মৰ পন্থালৈ পাৰ্থিৱ উপাৰ্জন কৰোঁতা। যদি বিস্তাৰিত ভাৱে দেখিব বিচাৰে তেন্তে **اشاعة السنة النبويه** মৌলবী আবু ছায়িদ মহম্মদ হুছেইন চাহাবৰ পৰা আনি চাব পাৰে যাৰ মূল্য ৮ টকা; লাহোৰৰ পৰা সংগ্ৰহ কৰিব পাৰে। আপোনালোকে অলসতাত পৰি আছে যদি এই পুস্তকখন এতিয়ালৈকে পঢ়া নাই। শুভ কামনা আপোনাৰ ওপৰত আৰু জাণ্ডিয়ালাৰ ইছলাম বাসিন্দা সকলৰ ওপৰত, যাৰ জানাজাও অবৈধ সেইজনকেই আপোনালোকে নেতা নিযুক্ত কৰিছে, কি দাৰুণ চাহাব, আপোনালোকৰ এই বিভ্ৰম।

এতিয়া গভীৰ দৃষ্টিৰে চোৱা উচিত যে পাদুৰি চাহাবে মিঞা বাটালবী আৰু তেওঁৰ **اشاعة السنة** ৰ পৰা কি উপকাৰ সাধন কৰিলে আৰু আমাৰ অস্বীকাৰী সকলে বিৰোধী সকলক কেনে সুযোগ প্ৰদান কৰিলে। কিন্তু এতিয়া প্ৰসন্নতাৰ সময় যে ফিৎনাৰ চিঠিখন চাই যি **اشاعة السنة** ৰ উদ্ধৃতি দি লিখিছিল,জাণ্ডিয়ালাৰ দৃঢ় বিশ্বাস স্থাপনকাৰী সকলে ক্ষুদ্ৰ পৰিমাণেও ভয় নকৰিলে আৰু মিঞা মহম্মদ বখশ্ব জাণ্ডিয়ালাই পাদুৰি চাহাবক অকাট্য যুক্তিৰে উত্তৰ দিলে আৰু লিখিলে যে কোনো ধৰ্ম মতভেদৰ পৰা খালি নহয় আৰু খ্ৰীষ্টান সকলেও ইয়াৰ পৰা বাহিৰত নহয়, আমি এনেকুৰা মৌলবী

সকলক ভ্ৰষ্টাচাৰী বুলি ভাৰো যিয়ে এজন ইছলামৰ সমৰ্থনকাৰী মুছলমানক কাফিৰ বুলি সাব্যস্ত কৰে।

### সাধাৰণ সংবাদ

শ্বেখ বাটালবী চাহাবে দুবাৰ দৃঢ় প্ৰতিজ্ঞা কৰিছে যে মই এই চিঠিৰ উত্তৰ যি আৰবী তফছীৰ আৰু কাছিদাৰ প্ৰতিদ্বন্দ্বিতা সন্দৰ্ভত যুক্তি সঙ্গত দলিল প্ৰমাণেৰে লিখা হৈছিল,সেয়া অমুক অমুক তাৰিখত নিশ্চয় প্ৰেৰণ কৰিম, তাতে কোনো মতভেদ নাথাকিব। এতিয়া সেই দুয়ো তাৰিখৰ যোল দিন আৰু অতিক্ৰম হৈ যায়, খোদা জানে আৰু কিমান তাৰিখ এইদৰে অতিক্ৰম হৈ যাব। শ্বেখ চাহাবৰ বাৰে বাৰে প্ৰতিশ্ৰুতি কৰা আৰু সেয়া ভঙ্গ কৰাটোৱে স্পষ্ট ভাৱে প্ৰমাণ কৰে যে এতিয়া তেওঁ কোনো বিপদত নিপতিত হৈ আছে; তিনি দিন আগৰ কথা যে অমৃতছৰৰ পৰা সংবাদ আহে যে কিছু সংখ্যক মৌলবী চাহাবে কয় যে এই মুবাহিছা (তৰ্ক-বিতৰ্ক)ত যদি ঈছাৰ জীৱিত-মৃত্যু সম্পৰ্কে তৰ্ক-বিতৰ্ক হ'লহেঁতেন, তেন্তে আমি নিশ্চয় ডাক্তৰ মাৰ্টিন ক্লাৰ্কৰ সৈতে চামিল হৈ গ'লহেঁতেন। শ্বেখ চাহাব আৰু তেওঁৰ বন্ধু সকলক সংবাদ প্ৰদান কৰা হয় যে শপত দিয়া হৈছে যে প্ৰথমে জ্বৰৰ পৰা মুক্ত হৈ যোৱা; মছীহ জীৱিত-মৃত সন্দৰ্ভত ডাক্তৰ মাৰ্টিন ক্লাৰ্ক চাহাবৰ সৈতে বেহেছ (তৰ্ক-বিতৰ্ক) কৰা হ'ব যদিও তোমালোকে তেওঁক সহায় কৰা।

**وَاعْلَمُوْا اَنَّ اللّٰهَ يُخْزِى الكَاذِبِيْنَ وَاٰخِرُ دَعْوَانَا اَنِ الْحَمْدُ لِلّٰهِ رَبِّ الْعَالَمِيْنَ.**

### ডাক্তৰ মাৰ্টিন ক্লাৰ্ক চাহাবৰ এটা সন্দেহৰ শুধৰণী

ডাক্তৰ চাহাবে নিজৰ বিজ্ঞাপন ১২ মে ১৮৯৩ চনত পৰিশিষ্ট হিচাপে **নুৰে আফশ্বাহ লুধহানা** প্ৰকাশ পাইছে। শ্বেখ বাটালবী

চাহাবৰ কিতাপ اشاعة السنة ৰ পৰা এই প্ৰবঞ্চনাত পৰিছে বা লোক সকলক প্ৰতাৰণা দিব বিচাৰিছে যে ইছলামৰ নিৰ্ভৰশীল আলিম সকলে এই অধমক কাফিৰ সাব্যস্ত কৰে; এই কাৰণে সাধাৰণ আৰু বিশেষ সংবাদৰ বাবে লিখা হৈ আছে যে গোটেইবিলাক নিৰ্ভৰযোগ্য ইছলামৰ আলিম যিসকলক খোদা তা'লাই জ্ঞান দান কৰিছে আৰু জ্যোতিমূলক ঈমান প্ৰদান কৰিছে সিহঁতে মোৰ সৈতে আছে, এতিয়া প্ৰায় চল্লিছজন মান হ'ব আৰু দ্বিতীয় পক্ষৰ সৈতে বেছিভাগ এনেকুৱা লোক আছে যিসকল কেৱল নামধাৰী মৌলবী, জ্ঞান আৰু কৰ্মৰ পৰা বহু নিলগত। যদি এই অধমৰ এই বয়ান ডাক্তৰ চাহাবৰ দৃষ্টিত চৰম পৰ্যায়ৰ নহয় তেন্তে ডাক্তৰ চাহাবে কোনো এনে যুক্তি সঙ্গত তৰ্ক-বিকৰ্তৰ সভা যি শত্ৰু পক্ষৰ আলিম আৰু এই অধমৰ বিজ্ঞ আলিম সকলৰ মাজত অনুষ্ঠিত কৰি স্বয়ং উপস্থিত হৈ চাই লওঁক। অনতিপলমে এনেকুৱা জলছা যুক্তি সঙ্গত তৰ্ক-বিতৰ্কৰ ১৫ জুন ১৮৯৩ চনত অনুষ্ঠিত হ'বলগীয়া,য'ত বিৰোধী পক্ষৰ মৌলবী গোলাম দস্তগিৰ আৰু তেওঁৰ সাদৃশ্য সকলোবিলাক লাহোৰৰ আলিম সকল উপস্থিত থাকিব আৰু দ্বিতীয় পক্ষৰ পৰা কেৱল এজন বা দুজন ফাজিল প্ৰতিদ্বন্দ্বিতাৰ বাবে নিযুক্ত কৰা হ'ব; তাৰ পিছত পাদুৰি চাহাবে নিজৰ চকুৰে দেখিবলৈ পাব যে বিজ্ঞ আৰু নিৰ্ভৰযোগ্য আলিম সকল কাৰ পক্ষত; আৰু নামধাৰী আলিম, বিভ্ৰান্তমূলক বয়ান দিয়া আলিম সকল কাৰ পক্ষত। এটা লিখনী বিখ্যাত যে,

شنیده کے بود مانند دیده

এজন কৃপন শত্ৰুৰ কলমৰ পৰা যি ওলায় সেয়া এক পক্ষীয় ভাষ্য, জ্ঞানী সকলৰ দৃষ্টিত সেয়া কেতিয়াও সন্মানৰ যোগ্য নহয়; অৰ্থাৎ

প্ৰত্যেক ধৰণৰ বাস্তৱিকতা পৰীক্ষাৰ ফলতহে প্ৰকাশ পায়। ডাক্তৰ চাহাবে এয়াও জানে যে ইছলামৰ নিৰ্ভৰযোগ্য আলিমসকলৰ আসন সন্মানপ্ৰাপ্ত,

زاد هما الله مَجْدًا وشرفًاوبركةً

ইছলামত বিশেষকৈ আৰব চহৰৰ মক্কা আৰু মদিনা দ্বীনৰ ঘৰ বুলি ভৰা হয়; গতিকে এই কল্যাণময় ঠাইৰ গুপ্ত হৃদয় আৰু নিৰ্ভৰযোগ্য সকলে এই অধমৰ সৈতে চামিল হয়। গতিকে আদৰ্শস্বৰূপ, তিনিজন বুজুৰ্গৰ লিখনী নিম্নত উল্লেখ কৰি আছো,

(এজন আৰবৰ ফাজিল এই অধমৰ পুস্তক আয়না কামালাতে ইছলাম আৰু প্ৰচাৰৰ ক্ষেত্ৰত উৰ্দ্ধ পৰ্যায়ৰ শীৰ্ষ স্থানলৈ গৈ সাক্ষী প্ৰদান কৰে যিজন মহান চহৰত শিক্ষাৰ ক্ষেত্ৰত অধ্যাপক হয়।)

মোৰ ভাতৃ মাননীয় মৌলবী হাফিজ মহম্মদ ইয়াকুব চাহাব ছালমা দেৰাদুনৰ পৰা লিখিছে যে মই বিশ্বাস স্থাপন কৰো এই কথাৰ ওপৰত যে আপুনি আল্লাহৰ প্ৰতিশ্ৰুতি অনুযায়ী যুগৰ ইমাম হয়; আলিম সকলক আল্লাহ্ তা'লাই নিশ্চয় আপোনাৰ চিকাৰ বনাইছে বা গোলাম; আপোনাৰ বিৰুদ্ধবাদী কেতিয়াও সফল হ'ব নোৱাৰিব। মোক আল্লাই তা'লাই আপোনাৰ সেৱাৰত অৱস্থাত যেন জীৱিত ৰাখে আৰু এনে অৱস্থাতেই যেন মৃত্যু দিয়ে। হে খোদা ! তুমি এনেকুৱাই কৰা। এজন আৰবৰ আলিম এতিয়া মোৰ কাষতেই; ছিৰিয়াৰ এজন আলিম বহি আছে, ছৈয়দ হয়,বৰ নিষ্ঠাবান আৰু সহস্ৰ আৰবী কবিতা মুখস্থ আছে; তেওঁৰ সৈতে তেখেতৰ (ঈছা) সন্দৰ্ভত আলোচনা হয় সেইজন বিজ্ঞ আলিম আৰু মই স্বাভাৱিক; কিন্তু **তাওৱাফ্ফা** শব্দৰ অৰ্থত কোনো মতভেদ নাপালো। তেখেতৰ

আইনা কামালতে ইছলাম গ্ৰন্থখন যি আৰবী ভাষাৰ সেয়া দেখুৱা হয়। তেওঁ কয়, আল্লাহৰ শপত ! আৰববাসী সকলেও এনেকুৱা বাক্যাংশ লিখিব নোৱাৰিব। হিন্দুস্থানীসকলে কিমান অভিজ্ঞতা ৰাখে। কাছিদাসমূহ দেখুৱা হ'ল পঢ়ি কান্দি দিলে আৰু কলে, খোদাৰ শপত ! মই এই যুগত আৰবৰ কবিতা সমূহক পছন্দ নকৰো, আৰু হিন্দুস্থানৰ তৰফৰ পৰা কিমান মনোহৰ কথা উল্লেখ আছে, মই এই পংক্তি সমূহ নিশ্চয় মুখস্থ কৰিম; আৰু কয়, যি ব্যক্তিয়ে এওঁতকৈ উত্তম কবিতাৰ দাবী কৰে, যদিও সেইজন আৰববাসীও হয় তেওঁ অভিশপ্ত মুছায়লিমা কাজ্জাব। মই দলিলসহ কালামৰ ওপৰত বিশ্বাসী স্থাপন কৰো যে এই কালাম ঐশ্বৰিক আৰু সন্মানিত কালাম, কোনো মানুহৰ কালাম নহয়। মই তেখেতক নিজৰ প্ৰাণ, নিজৰ পৰিয়াল বৰ্গ আৰু সন্তান-সন্ততিৰ মাজত মালিক বুলি গণ্য কৰো।

## এই অধমৰ ফালে বিদ্বান আৰবীৰ ফালৰ পৰা ভালপোৱাৰ চিঠি

بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

يا من انشد نسيم الاشتياق عن وسيم وصفه واستنشق عباهر الازاهر من شميم لعلو حضرتک ساجدة والافواه بالثناء على محاسن ذ اتک شاهدة لا احصى ثنائى عليک ولا دعائى وشوقى اليک السلام عليكم ورحمة الله و بركاته تحية عَنّ وِدٍّ اكيدٍ و قلب لم يكدره تنكيد اما بعد فان راقم الاحرف قدهبت به نسيم الامال و زعزعته لواعج الانتقال حتى قذفته سهام الا قدار فى بلدة هذه الديار فجمعته طرق الا تفاق بتقدير الملک الخلاق بالاخ الرفيق والمولى الشفيق الحافظ المولوى محمد يعقوب وقاه الله من ورطات العيوب و وهدات الذنوب فى بلدة دهره دون لازال رحبها بالمواهب الالٰهية مشحون فاخذنا نجنى ثمار الاخبار و ندير اقداح التذكار عما مضٰى و تقدم من الازمان والاثار حتى افضى بنا الحديث الى هذا الزمان فذكرت حضرتكم العلية فسئلتهٗ عن بيانها بوجه التفصيل والايضاح فاخبرنى بالجناب ومناقبه بماكان اهلا له حتى

**عطره وعبير عرفه احيط حضرتک العالية باسرار الا سرار واعيذ سعادتک السامية من نوائب الا قد ار لا زالت سفن نجاتک تجری فی بحار العلوم والو ية سيادتک معقود لحل اشکالات المنطوق والمفهوم ولا برحت الجباه**

**ثنی عنان فکری واستمال عطف خاطری الی مشاهدة الذات لما سمعت من بديع الصفات اذا الکلام صفة لقائله ولا يخفی مافی المشاهدة من عميم الفائدة ولذلک طلبها الکليم عليه السلام ولم يمنعنی من تلک الامشقة الطريق و توقد الرمضاء واصفرار اليد وخرق الجيب وعدم الراحلة (شعر)**

**ولو انّی اطير لطِرت شوقا      اليک ولم اکن عن ذاک ناحی**
**ولکن اجنحی قصت وّ صيرت      وکيف يطير مقصوص الجناح**

**وعلی کل حال فان عدم ذلک بالاقدام فممکن ان يکون بالاقلام لاسيما وقدقيل القلم احد اللسانين والمراسلة نصف المواصلة ولکن ليس الخبر کالعيان اذهو عين اليقين الاانا اذا فقدنا الماء صرنا الی بديله. والسلام**

**অনুবাদ ঃ-** হে মহান অস্তিত্ব যাৰ বিশেষতাসমূহৰ সৌন্দৰ্য্যত শীতলময় সুমধুৰ কণ্ঠত গায়। বাগিছাৰ চাৰিওফালে সুগন্ধিৰে সুগন্ধিত। সূক্ষ্মৰ পৰা সূক্ষ্ম ৰহস্য আপোনাৰ মহান অস্তিত্বক পৰিধিৰ মাজত লৈ ৰাখিছে। আপুনি খোদাৰ শৰণত আছে। আপোনাৰ মুক্তিদাতা জাহাজৰ নিচিনা সৰ্বদা সমুদ্ৰত চলে আৰু আপোনাৰ পথ প্ৰদৰ্শনৰ পতাকা আৰ্থিক ক্ষেত্ৰত বাধাসমূহ আঁতৰ কৰাৰ বাবে উৎকৃষ্ট। আপোনাৰ মহানতাৰ বাবে সকলোৰে মূৰ অৱনমিত থাকক আৰু মুখ আপোনাৰ বিশেষতা সমূহৰ প্ৰশংসাৰ সাক্ষী হওঁক। মই আপোনাৰ প্ৰশংসা, আপোনাৰ বাবে দোৱা কৰা আৰু আপোনাৰ সৈতে সাক্ষাৎ কৰাৰ আশ্বস্ত বয়ানৰ বাহিৰত। আচ্ছালামু আলাইকুম ওৱা ৰাহমাতুল্লাহে ওৱা বাৰাকাতুহু। ছালামৰ এই উপহাৰ অত্যন্ত প্ৰেম আৰু এনেকুৱা হৃদয়ৰ তৰফৰ

পৰা যি কোনো অপৱিত্ৰতাত লিপ্ত নহয়। ইয়াৰ পিছত (নিবেদন এই যে) এই পত্ৰ লিখকৰ আশা সমূহ শীতল ফলৰ ফালে আগবাঢ়ে আৰু ঘূৰা ফুৰাৰ ভীষণ ইচ্ছাই ঘৰৰ পৰা অঘৰী বনাই দিলে আৰু প্ৰাৰম্ভিক তীৰ সমূহে তেওঁক সেই দেশৰ পৰা এই চহৰত আনি দলিয়াই দিলে আৰু ভাগ্যই তেওঁক প্ৰিয় ভৃত্য আৰু সহানুভূতিশীল বন্ধু হাফিজ মৌলবী মহম্মদ ইয়াকুব চাহাবৰ সৈতে মিলাই দিলে। আল্লাই তেওঁক দেহৰাদুনৰ চহৰত দোষী দলৰ পৰা আৰু পাপত লিপ্ত হোৱাৰ পৰা বচালে। অৰ্থাৎ আমি পৰস্পৰ বিচাৰ সমূহৰ আদান-প্ৰদানৰ পৰিস্থিতি সমূহৰ অনুসন্ধান ল'ব ধৰিলোঁ; বৰ্তমান আৰু প্ৰাচীন যুগৰ ঘটনাসমূহ আৰু নিদৰ্শনাৱলীৰ চৰ্চা হ'ব ধৰিলে। ইমানে যে কথা-বতৰা এই যুগলৈ আহি গলে আৰু তেওঁৰ মহান অস্তিত্বৰ বিষয়ে বৰ্ণনা কৰিলে আৰু মই তেওঁৰ পৰা তেখেতৰ বিষয়ে স্পষ্ট আৰু বিস্তাৰিত ভাৱে জানিব বিচাৰিলোঁ তেতিয়া তেখেতে মোক আঁজনাব আৰু তেখেতৰ অস্তিত্বৰ যোগ্যতাৰ বিষয়ে কলে; তাৰ পিছত তেখেতৰ অনুপম বিশেষতা সমূহ শুনাৰ পিছত মোৰ বিচাৰৰ প্ৰবাহ আৰু ইচ্ছুক আঁজনাবৰ অস্তিত্বৰ দৰ্শন কৰাৰ ফালে আকৰ্ষিত হৈ যায়। কালাম কৰোঁতাজনৰ গুণাৱলী আৰু দোষ প্ৰকাশ কৰোঁতাজন দৰ্পন হয়, আৰু সাক্ষাতৰ পৰা যি উপকাৰ হৈছে সেয়া কাৰো পৰা গোপন নহয়। এই কাৰণে হজৰত মুছা (আঃ)য়ে দোৱা কৰে, কিন্তু বাটৰ কষ্ট আৰু গৰমৰ উত্তাপ, দুৰ্বলতা, ধন ৰাশিৰ নাটনি আৰু আৰোহণ নোহোৱাৰ বাবে বাটত বাধা জন্মিলে।

(সিংহ) যদি মোৰ মাজত উড়ানৰ শক্তি থাকিলে হয় তেতিয়া মই প্ৰবল ইচ্ছাৰে আপোনাৰ ফালে উৰি গলো হয়; আৰু কেতিয়াও

ইয়াৰ পৰা পিছুৰাই নগ'ল হয়; বৰং মোৰ ডেউকা কটা হোৱা, গতিকে কটা হোৱা ডেউকা কেনেকৈ উৰিব পাৰিব ?

যদি এই সাক্ষাৎ মুখামুখী নহয়; তেন্তে পত্ৰৰ মাধ্যমে ঠিক আছে বিশেষকৈ এটা প্ৰবাদ বিখ্যাত যে লিখনী দুটা জিভাৰ এটা হয় আৰু পত্ৰ আধা সাক্ষাৎ হয়, অথচ শুনা কথা দেখাৰ নিচিনা হ'ব নোৱাৰে, কাৰণ সেয়া চকুৰে দেখা বিশ্বাস হয়। যদি কোনোবাই প্লাৱিত নহয় তেতিয়া তাৰ পৰিৱৰ্তে তেওঁ অইন ফালে আকৰ্ষিত হয়।

# এই অধমৰ পৰা আৰবৰ বিদ্বানলৈ ভালপোৱাৰ চিঠি

بسم اللّٰه الرحمٰن الرحيم

نحمدهٗ و نصلّی علٰی رسوله الكريم

السلام عليكم ورحمة الله وبركاته. امابعد فاعلم يا محبى ومخلصى قد وصلنى كتابكم العزيز واذا فتحته ونظرت اليه وقرأته وفهمت مافيه فاذا هو من حب حفى وتقى وفهيم وذكى ناقد بصير ذى رأى صائب وعقل عزيز الى فقير. عرضة تكفيرٍ. مهجور صغيرٍ و كبيرٍ. فحمدتُ اللّٰه على انه وهب لى كمثلك محبًا مسليًا من العرب العرباء وبشرنى به نسيم محبة تلك الشرفاء وكنت قد نمقت كتابًا لارسله الى ديار العرب والشام لعلى اُنصَر من تلك الكرام فوجدت مكتوبك فى اسعد الايام وحسبته باكور جنى العرب وتفألتُ به لاصلاح الشرق والغرب. وتاقت نفسى ان اوطنى☆ الله ثراك لافوز بمراك. ياخى ان علماء هذه الديار قد اكفرونى وكذبونى ورمونى بالبهتانات. وتمايلوا علىّ باللعن والطعن والهذيانات. فبرئت من تلك العلماء وعلمهم. ولحقت بمن يشك فى سلمهم وانى ارى خواطرهم تشابه خواطر اليهود. فى ظن السوء والتجاسر امام الرب المعبود. اصروا على اكفارى وجاهدوا لاضرارى. وكفروا مؤمنا موحدا فى التحرير والتقرير. وما ندموا على بادرة التكفير وظنّوا ان الوقت ليس وقت ظهور مجدد يجدّد الدّين. ويرجم الشياطين. اما رأوا ان الغاسق قد وقب و مهجّة الخير قد انتقب. والعدوصال على حصن الاسلام ونقب. واخذ الظلام موضع النور وعقب. وظهر قوم على الارض يعبد الصّليب ويتخذ الهًا العبد الضعيف الغريب. و يضل البعيد والقريب. مافى يديهم الا

المكر والزور. اوالمال الموفور. فتهوى اليهم العُمى والعُور. ودخل فى شركهم الزمر والجمهور. وعسى ان يدرک هذا العطب اكثر المسلمين. ويفنون من ايدى المغتالين. فنظر الله الى الامة المرحومة ووجدهم المستضعفين. فارسل عبدًا من عباده ليجدّد الدّين و يقيم البراهين. يا اخى ان هذه الايام ليل دامس وطريق طامس. فرئ الله تعالى مفاسد هذاالزمان وتطاير فتن الدوران وظلام الكفر والطغيان وقيام الخلق على شفاء النيران. فاعطى بفضله مصباحاً يؤمنهم العثار وينير السّنن والآثار وانى قصّصت عليكم بعض هذه الآلام لتُدركم رقة على غربة الاسلام. فانى اراک فتًى صالحًا ومن المخلصين المحبّين وقد اسررتنى بكلمات محبتک وسلّيت باقوال مودتک غريبا مهجور القوم و مورد الطعن واللوم فجزاک اللّٰه ورحمک وهو ارحم الراحمين. آمين

الراقم العبد الضعيف مهجور القوم غلام احمد عفى عنه

অনুবাদ ঃ-

পৰম কৰুণাময়,পৰম দানশীল আল্লাহৰ নামত

নাহমাদুহু ওৱা নুচাল্লি আলা ৰাছুলিহিল কৰিম

আচ্ছালামু আলাইকুম ওৱা ৰাহমাতুল্লাহি ওৱা বাৰাকাতুহু

হে মোৰ প্ৰিয় আৰু সত্যবাদী আপুনি অৱগত যে প্ৰেমেৰে পৰিপূৰ্ণ আপোনাৰ চিঠিখন মই পাইছো। যেতিয়া মই সেই চিঠিখন খুলি চালো আৰু পঢ়িলো আৰু তাতে লিখা আছিল সেয়া বুজি পোৱাৰ পিছত জানিব পাৰিলো যে এয়া এজন এনেকুৱা বন্ধুৰ তৰফৰ পৰা যিজন সত্যবাদী, অনুসন্ধানকাৰী প্ৰতিভাশালী, বিশুদ্ধ আৰু সঠিক ৰায় প্ৰদানকাৰী বুদ্ধিমান ব্যক্তি হয়। যি তেওঁ এই বিনীতৰ ফালে লিখিছে সেইবোৰে কাফিৰৰ ফতোৱা দিওঁতা সকলৰ চিন্তাৱলীক

তুচ্ছ কৰিছে।

অৰ্থাৎ মই আপোনাৰ নিচিনা সৎভাৱনা প্ৰদানকাৰীৰ বাবে আৰু আৰবৰ পৰা বিশেষকৈ প্ৰেম দিয়াৰ বাবে আল্লাহ্ তা'লাৰ ধন্যবাদ জ্ঞাপন কৰো; আৰু তেওঁৰ মাধ্যমে আল্লাহ তা'লাই মোক পুণ্য লোক সকলৰ প্ৰীতিৰ সুগন্ধি প্ৰদান কৰিছে; যাৰ ফলস্বৰূপে মই আৰব আৰু ছিৰিয়া ইত্যাদি দেশ সমূহত প্ৰেৰণ কৰাৰ বাবে এখন কিতাপ প্ৰণয়ন কৰিছোঁ, যাতে এনে ধৰণৰ দৃঢ় প্ৰতিষ্ঠিত লোক সকলৰ সমৰ্থন লাভ হয়। অৰ্থাৎ মই এই শুভ দিনবোৰতে তোমাৰ পত্ৰ পালো আৰু মই ইয়াক আৰবৰ ফলৰ মাজৰ প্ৰথম ফল বুলি ভাৱিলো আৰু মই সেয়া পূৱৰ পৰা পশ্চিমলৈ শুভ প্ৰশান্তি বুলি ধাৰণা কৰিলোঁ আৰু মোৰ হৃদয়ত এই ইচ্ছা জাগৰণ হয় যে আল্লাই যেন মোক তোমাৰ ধৰাধামলৈ লৈ যায়; যাতে আপোনাক দৰ্শন কৰিব পাৰো। হে মোৰ ভাতৃ ! এই দেশৰ আলিম সকলে মোক কাফিৰ সাব্যস্ত কৰিছে, মোক মিছলীয়া আৰু মোৰ ওপৰত বিভিন্ন প্ৰকাৰ আৰোপ উত্থাপন কৰি, ভৎৰ্সনা কৰি আৰু নিৰৰ্থক গালি-শপনি দি মোৰ ওপৰত আক্ৰমণ কৰে। মই সেই আলিম সকল আৰু সিহঁতৰ জ্ঞানৰ পৰা বিমুখ; আৰু মই সেই সকলৰ অন্তভুৰ্ক্ত হলো যিসকলে সিহঁতৰ (আলিম সকলৰ) ইছলামক সন্দেহ পোষণ কৰে। কু-ধাৰণা আৰু উপাস্যৰ সন্মুখত দুষ্টতা কৰাত সিহঁতৰ হৃদয় ইহুদী সকলৰ হৃদয়ৰ নিচিনা পালো; সিহঁতে মোক কাফিৰ সাব্যস্ত কৰাত অটল থাকিলে আৰু কষ্ট দিয়াৰ বাবে প্ৰত্যেক ধৰণৰ প্ৰচেষ্টা অব্যাহত ৰাখিলে; আৰু এক খোদাৰ ওপৰত বিশ্বাস স্থাপনকাৰী মোমিন সকলক লিখনী আৰু ভাষণৰ দ্বাৰা কাফিৰ সাব্যস্ত কৰিলে আৰু কুফৰৰ ফতোৱা

দিয়াত ততাতৈয়া কৰাতো লজ্জিত নহ'ল। এনে সময়ত এজন মুজাদ্দিদ (সংস্কাৰক)ৰ প্ৰকট হোৱাৰ সময় নহয় নে, যিয়ে ধৰ্মক সঞ্জীৱিত কৰিব আৰু পথভ্ৰষ্ট চয়তানক দূৰ কৰিব ? সিহঁতে দেখিবলৈ নাপায় নে যে অন্ধকাৰ বিস্তাৰ লাভ কৰিছে আৰু কল্যাণৰ মাৰ্গ অন্ধকাৰ হৈ পৰিছে আৰু শত্ৰু সকলে ইছলামৰ দুৰ্গৰ ওপৰত আক্ৰমণ কৰাৰ বাবে প্ৰস্তুত হৈ আছে ? পথভ্ৰষ্টতাই ধৰ্মৰ স্থান দখল কৰি বিস্তৃত হৈ আছে, তথা ধৰাধামৰ ওপৰত সেই জাতিয়েই আধিপত্য কৰিছে যিসকলে ক্ৰুছৰ উপাসনা কৰে আৰু অসহায় মানুহক উপাস্য বুলি গ্ৰহণ কৰিছে আৰু ওচৰে-পাজৰে থকা সকলক পথভ্ৰষ্টতাত নিপতিত কৰি আছে। সিহঁতৰ হাতত কেৱল মিছা, প্ৰতাৰণা আৰু অধিক পৰিমাণে ধন-সম্পদ আছে; সেই কাৰণে অজ্ঞানী হৈ বাহ্যিকতাৰ ফালে আকৰ্ষিত হয় আৰু দলে দলে মানুহ সিহঁতৰ জালৰ চিকাৰত আবদ্ধ হৈ পৰিছে। সম্ভৱত এই বিনাশে অধিকাংশ মুছলমান সকলক সেই চিকাৰৰ অধীনস্থ কৰিব আৰু সেই প্ৰৱঞ্চনাকাৰীৰ হাততেই বিনষ্ট হৈ যাব।

অৰ্থাৎ আল্লাহ তা'লাই এই জাতিৰ ফালে দৃষ্টি নিক্ষেপ কৰিলে, যেতিয়া এই জাতিক দুৰ্বল দেখিবলৈ পালে,তেতিয়া সেইজনাই নিজৰ ভৃত্যৰ পৰা এজন ভৃত্যক সেই জাতিক জীৱিত কৰাৰ কাৰণে আৰু বুজোৱাৰ বাবে অন্তিম প্ৰয়াস পূৰ্ণ কৰাৰ বাবে প্ৰেৰণ কৰিলে। হে মোৰ ভাতৃ ! এই দিন ভয়ঙ্কৰ অন্ধকাৰ ৰাতিৰ সমান হয়; সন্মানৰ চিহ্নাৱলীৰ সমাপ্ত ঘটিছে। অৰ্থাৎ আল্লাহ তা'লাই এই যুগৰ বেয়া, সময়ৰ উপদ্ৰৱী আৰু দুৰ্ভিক্ষৰ অন্ধকাৰক দেখিলে আৰু লোক সকলক অগ্নিৰ প্ৰান্তত থিয় পালে, তেতিয়া তেখেতক নিজৰ ফালৰ পৰা এটা

প্ৰদীপ প্ৰদান কৰিলে যাতে সিহঁতক উজুটি খোৱাৰ পৰা বচাব পাৰে, আৰু সঠিক পথ আৰু চিহ্নাৱলীক আলোকিত কৰিব পাৰে। মই সেই দুঃখৰ পৰা কিছু দুঃখ মই তোমাৰ সন্মুখত বয়ান কৰিছোঁ যাতে ইছলাম অসহায় হোৱাৰ বিষয়টো তোমাৰ হৃদয়ত উদ্বিগ্ন হয়। মই তোমাক পুণ্য যুৱক আৰু সত্যবাদী আৰু বন্ধু বুলি ভাবো। তুমি নিজৰ প্ৰেমেৰে পৰিপূৰ্ণ বাক্যৰ দ্বাৰা মোক প্ৰসন্ন কৰিছা; আৰু অসহায় জাতিক সৎ ভাৱনাৰ ভৰসা দিছা।

আল্লাহ তোমাক ইয়াৰ প্ৰতিদান দান কৰক। তোমাৰ ওপৰত দয়াৰ দৃষ্টি অৱতীৰ্ণ হওঁক, আৰু সেইজনাই সকলোতকৈ বেছি দয়াৰ দৃষ্টি ৰাখোতা। আমীন-

**লেখক**

**অসহায় আৰু দুৰ্বল জাতি**

**গোলাম আহমদ**

## এজন আৰবৰ মক্কাৰ বিদ্বানৰ চিঠি

بسم اللّٰه الرحمٰن الرحيم

الحمد للّٰه رب العٰلمين والصّلوة والسلام على اشرف الخلق اجمعين الٰى حضر الجناب المحترم المكرم العزيز الاكرم مولانا ومرشدنا وهادينا ومسيح زماننا غلام احمد حفظه الله تعالٰى. آمين . آمين يارب العٰلمين. امابعد السلام عليكم ورحمة الله وبركاته قد وصلنا كتابكم العزيز و قرئنا وفهمنا مافيه وحمدنا الله الذى انتم بخير وعافية ويا سيدى اطلب من الله ثم من جنابكم العفو والسماح فيما قداخطئت ويا سيدى انا ولدک وخادمک ومحسوب على الله ثم الى جنابكم وان شاء الله تعالى انا تبت وعزمت على ان لا اعود ابدًا ولا اتكلم بمثل الكلام الذى ذكر قط جمّل الله حالكم و شكر الله فضلكم والسلام

الراقم احقر العباد محمد ابن احمد مكى

قد عجبنى الكلام الذى ذكرتم فى الكتاب. الحمد لله الذى وعدنى بملاقات جنابكم لا شک ولاريب انک انت من عند الله اٰمنا وصدقنا واٰخر دعوانا ان الحمد لله رب العٰلمين. راقم محمد ابن احمد مكى

অনুবাদ ঃ-

বিছমিল্লাহিৰ ৰহমানিৰ ৰাহিম

সকলো প্ৰশংসা, সমস্ত লোক সকলৰ প্ৰতিপালক আল্লাহৰ বাবে আৰু মহান ব্যক্তি ৰছুলুল্লাহ (ছাঃ)ৰ ওপৰত দৰূদ আৰু শান্তি বৰ্ষিত হওঁক, আদৰণীয় আৰু প্ৰতিষ্ঠিত আমাৰ মালিক,আমাৰ পথ প্ৰদৰ্শক আৰু যুগৰ মছীহ হজৰত মিৰ্জা গোলাম আহমদ চাহাব আল্লাহ আপোনাক সুৰক্ষিত ৰাখক। আকৌ আমীন, হে লোক সকলৰ

প্ৰতিপালক !

আচ্ছালামু আলায়কুম ওৱা ৰহমাতুল্লাহি ওৱা বাৰাকাতুহু মই আপোনাৰ প্ৰেমেৰে পৰিপূৰ্ণ চিঠি পাইছো। মই সেয়া পঢ়িছো আৰু বুজিছো আৰু আপুনি কল্যাণমণ্ডিত হোৱাৰ বাবে মই আল্লাহৰ ধন্যবাদ জ্ঞাপন কৰিলোঁ। হুজুৰ মই আল্লাহ তা'লাৰ পৰা আপোনাৰ সৈতে কৰা ভুলৰ বাবে ক্ষমা বিচাৰো। হুজুৰ মই আপোনাৰ সন্তান আৰু সেৱক হওঁ, আল্লাহৰ ওচৰত আৰু আপোনাৰ ওচৰত উত্তৰ দিব লাগিব; মই তৌবা কৰিছোঁ আৰু প্ৰতিজ্ঞা কৰিছোঁ যে যদি আল্লাই ইচ্ছা কৰে তেন্তে মই সেই ফালে আৰু ওভতি নাযাও আৰু পূৰ্বৱৰ্তী কথা সমূহৰ নিচিনা কথা আৰু নাপাতিম। আল্লাহ আপোনাক কল্যাণমণ্ডিত কৰক আৰু আপোনাৰ ওপৰত কৃপা বৰ্ষণ কৰক আৰু উপকাৰ সাধন কৰক।

**লেখক**
**বিনীত**
**মুহাম্মদ বিন আহমদ মক্কী**

## এজন আৰব বিদ্বান ছৈয়দ আলী পুত্ৰ শ্বৰীফ মহম্মদ মুস্তাফা আৰবৰ পত্ৰৰ সাৰাংশ

ছৈয়দ চাহাব আৰবে এক দীৰ্ঘ চিঠিত অনেক কবিতা আকাৰে আৰু এক দীৰ্ঘ পদ্যত প্ৰশংসা কৰি লিখিছে। তাৰ দীৰ্ঘ বাক্যবোৰ নিম্নত,

كالكوكب فى الأفاق للجاهل والعاقل بحر الندى الذى لا يرٰى له الساحل ومنبع العلوم وٓا لعطايا التى هى صافية المناهل.

الى جناب الاجل الناقد البصير طود العقل الغزير وكوكب الشرق المنير ذى الحزم والهام الله الكبير صاحب الالهام ركن الدولة الابدية سلطان الرعية الاسلامية ميرزا غلام احمد. فضائله تلوح

**অনুবাদ ঃ-**

সেৱাত শ্ৰীমান দূৰদৰ্শী আৰু প্ৰতিভাশালী আৰু তীক্ষ্ম বুদ্ধি আৰু বিবেকবান পুৰুষৰ প্ৰকাশমান তৰা, সতৰ্ক তথা পৰিণামক দৃষ্টি ৰাখোঁতা, মহান খোদাৰ পৰা প্ৰেৰিত, অনশ্বৰ বাদশ্বাহৰ সদস্য আৰু ইছলামী প্ৰজাৰ বাদশ্বাহ মিৰ্জা গোলাম আহমদ।

আপোনাৰ শ্ৰেষ্ঠতা প্ৰত্যেক মূৰ্খ আৰু বুদ্ধিমান সকলৰ বাবে সংসাৰত তৰাবোৰৰ নিচিনা উজ্জ্বল হৈ উঠিছে। আপুনি দান আৰু অনুকম্পাৰ অপাৰ সমুদ্ৰ; আপুনি জ্ঞান আৰু দান-বৰঙণি আৰু অনুকম্পাৰ এনেকুৱা উদঘাটন, যাৰ ঘাট অত্যন্ত পৰিষ্কাৰ আৰু স্বচ্ছ।

আশা কৰো বেলেগ সময়ত এই আৰব বিদ্বানৰ কবিতাসমূহ আৰু বিস্তাৰপূৰ্ণ পত্ৰিকা সমূহও প্ৰকাশিত কৰি দিয়া হ'ব। এতিয়া সাক্ষ্য হিচাপে ইমানেই যথেষ্ট।

**মিষ্টাৰ আব্দুল্লাহ আথম চাহাব উকিল, ডাক্টৰ মাৰ্টিন ক্লাৰ্ক চাহাব আৰু অইন খ্ৰীষ্টানসকল পৰাজয় হোৱাৰ পিছত মুছলমান হোৱাৰ অঙ্গীকাৰ**

আমি এতিয়া মিষ্টাৰ আব্দুল্লাহ আথম চাহাব প্ৰাক্তন অতিৰিক্ত এছিছটেণ্ট পনশ্বজ ৰায়েছ অমৃতছৰৰ সেই অঙ্গীকাৰ নিম্নত লিখা হৈ আছে যি তেখেতে উকিল হিচাপে ডাক্টৰ মাৰ্টিন ক্লাৰ্ক চাহাব আৰু খ্ৰীষ্টান জাণ্ডিয়ালা মুছলমান হোৱাৰ বাবে নিজকে পৰাজয় স্বীকাৰ কৰিছে। সিহঁতে নিজৰ স্বীকাৰোক্তিত স্পষ্ট ভাৱে লিখিছে যে যদি তেওঁ জ্ঞানৰ ক্ষেত্ৰত বা কোনো নিদৰ্শন দেখাত পৰাজয় হৈ যায় তেন্তে ইছলাম গ্ৰহণ কৰিব আৰু এয়া যে,

**নকল চিঠি মিষ্টাৰ আব্দুল্লাহ আথম চাহাব ৯ মে চন ১৮৯৩ ইং অমৃতছৰৰ পৰা**

জনাব মিৰ্জা গোলাম আহমদ চাহাব কাদিয়ানৰ প্ৰধান। জনাবৰ সেৱালৈ ইছলামৰ যুক্তিসঙ্গত উত্তৰ বান্দাৰ সম্বন্ধে, বিনীত নিবেদন এই যে যদি মহাশয় বা অইন কোনো চাহাবে কোনো ক্ষেত্ৰত অৰ্থাৎ প্ৰতিদ্বন্দ্বিতাৰ বাবে অলৌকিক ক্ৰিয়া বা কোৰাণৰ শিক্ষানুযায়ী খণ্ডন কৰিবলগীয়া দলিল আল্লাহৰ গুণাৱলীৰ সৈতে প্ৰমাণ কৰিব পাৰে তেন্তে মই স্বীকাৰ কৰো যে মই মুছলমান হৈ যাম। মহাশয় এই প্ৰমাণ-পত্ৰ আপোনাৰ হাততেই থাকিবলৈ দিয়ক, মই ইয়াৰ পৰা ক্ষমা বিচাৰো যে পত্ৰিকাত যেন এয়া প্ৰকাশিত নহয়।

**চহী**

**মিষ্টাৰ আব্দুল্লাহ আথম চাহাব**

## আব্দুল হক গজনৱীৰ বিজ্ঞাপনৰ উত্তৰত মুবাহিলাৰ (প্ৰত্যাহ্বানৰ) ঘোষণা

## তাৰিখ ২৬ শ্বোৱাল ১৩১০ হিজৰী

আব্দুল হক গজনৱীৰ এটা প্ৰত্যাহ্বানৰ বিজ্ঞাপন ২৬ তাৰিখ শ্বোৱাল ১৩১০ হিজৰীত প্ৰকাশিত মোৰ দৃষ্টিৰে অতিক্ৰম হয়; সেই কাৰণে এই বিজ্ঞাপন প্ৰকাশ কৰা হৈ আছে যে মই সেই ব্যক্তি আৰু এনেকুৱাই প্ৰত্যেক কাফিৰ যিয়ে নিজকে আলিম বা মৌলবী বুলি কয় তেওঁৰ সৈতে প্ৰত্যাহ্বান কৰিবলৈ উপস্থিত আছো; আৰু মই আশা কৰো যে ইনশা আল্লাহ তৃতীয় বা চতুৰ্থ জিলকাদা ১৩১০ হিজৰীত অমৃতছৰ গৈ পাম, আৰু প্ৰত্যাহ্বানৰ তাৰিখ ১০ জিলকাদা নিৰ্ধাৰিত হয়; কিন্তু বৰষুণ আদি কৰি আন কিবা কাৰণ বশত: ১১ জিলকাদালৈ স্থগিত কৰা হয়। যাক কোনো ক্ষেত্ৰতেই লঙ্ঘন কৰা নহ'ব। মুবাহিলা (প্ৰত্যাহ্বান)ৰ স্থান ঈদগাহ যি মছজিদ খান বাহাদুৰ মহম্মদ শ্বাহ মৰহুমৰ কাষত নিৰ্ধাৰিত হৈছিল। দিনৰ প্ৰথম ভাগত প্ৰায় ১২ বজালৈকে খ্ৰীষ্টান সকলৰ সৈতে ইছলামৰ সত্যতাৰ বিষয়ে এই অধমৰ সৈতে বেহেছ (যুক্তি সঙ্গত তৰ্ক-বিতৰ্ক) হ'ব; আৰু এই মুবাহিছা অবিৰাম ১২ দিনলৈ চলিব, সেই কাৰণে কাফিৰৰ যিসকলে মোক কাফিৰ সাব্যস্ত কৰি মোৰ সৈতে মুবাহিছা কৰিব খোজে দুই বজাৰ পৰা আবেলিলৈকে মোৰ সময় আছে; অৰ্থাৎ ১০ জিলকাদা বা কোনো কাৰণত ১১ জিলকাদা ১৩১০ হিজৰীত মোৰ সৈতে মুবাহিলা (যুক্তি সঙ্গত তৰ্ক-বিতৰ্ক) কৰিব পাৰে আৰু দহ জিলকাদা মোৰ পৰা তাৰিখ নিৰ্দিষ্ট হয় যাতে আন আন আলিমসকল যিসকলে মোক কাফিৰ সাব্যস্ত কৰে সিহঁতে মুবাহিলাত অংশ ল'ব

পাৰে। যাৰ মাজত মহী উদ্দিন লখুৰালে, মৌলবী আব্দুল জাববাৰ চাহাব, শ্বেখ মহম্মদ হুছেইন বাটালৱী, মুনশী ছাআদুল্লাহ শিক্ষক হাই স্কুল লুধিয়ানা, আব্দুল আজিজ, ওৱেজ লুধিয়ানা, মুনশী মহম্মদ উমৰ প্ৰাক্তন কৰ্মচাৰী লুধিয়ানৰ বাসিন্দা, মৌলবী মহম্মদ হাছান চাহাব লুধিয়ানাৰ ৰায়েছ, নজিৰ হুছেইন চাহাব দেহলৱী, পীৰ হায়দৰ শ্বাহ চাহাব, হাফিজ আব্দুল মান্নান উজিৰাবাদী, মিঞা আব্দুল্লাহ টুণ্কী, মৌলবী গোলাম দস্তিগিৰ কচুৰী, শ্বাহ দ্বীন চাহাব, মৌলবী মুছতাক আহমদ চাহাব শিক্ষক হাই স্কুল লুধিয়ানা, ৰশিদ আহমদ গঙ্গোহী, মহম্মদ আলী ওৱেজ বুৰান জিলা গুজৰানৱালাৰ বাসিন্দা, মৌলবী মহম্মদ ইচহাক, ছুলেইমান ছাকিনান ৰিয়াছত পাটিয়ালা, জহুৰুল হাচান চাজাদা নশ্বীন বাটালা, মৌলবী মহম্মদ কৰ্মচাৰী মতবাআ, কৰম বখশ লাহোৰ আদি এই লোক সকলে উপস্থিত হৈয়ো আমাৰ ৰেজিষ্ট্ৰাৰ হোৱা বিজ্ঞাপন অনুযায়ী মুবাহিলাৰ বাবে প্ৰস্তুত নহলে। এয়াই এটা প্ৰবল দলিল হ'ব যে বাস্তৱতে সিহঁতে নিজৰ আকীদাক তকফিৰ, মিছলীয়া, অত্যাচাৰী আৰু অসত্য বুলি ভাৱে। বিশেষকৈ পোনপ্ৰথমে শ্বেখ মহম্মদ হুছেইন বাটালৱী চাহাব ইশ্বাআতুচ্ছুন্নাতৰ কৰ্তব্য আছিল যে ময়দানত মুবাহিলা (প্ৰত্যাহ্বান)ৰ বাবে নিৰ্দিষ্ট তাৰিখত অমৃতছৰলৈ অহা উচিত আছিল, কাৰণ এই মুবাহিলাৰ বাবে তেওঁ নিজেই আবেদন পত্ৰ লিখিছিল। গতিকে মনত ৰাখিব আমি বাৰে বাৰে মুবাহিলা কৰিব নিবিচাৰো, মুবাহিলা কোনো হাঁহি বিদ্ৰূপ কৰা তামাচা নহয়, এতিয়া গোটেই অস্বীকাৰী সকলৰ সিদ্ধান্ত লোৱা উচিত; অৰ্থাৎ যি ব্যক্তি এতিয়া আমাৰ বিজ্ঞাপন প্ৰকাশ পোৱাৰ পিছত তাৰ পৰা বিৰত থাকে আৰু নিৰ্ধাৰিত তাৰিখ মতে উপস্থিত হ'ব নোৱাৰে

পৰৱৰ্তীত তেওঁৰ কোনো অধিকাৰ নাথাকিব যে তেওঁ কেতিয়াবা মুবাহিলাৰ বাবে আবেদন কৰিব, আৰু তেওঁ লাজহীনৰ মাজত অন্তৰ্ভুক্ত হ'ব, যাতে পিছত কাফিৰ সকলৰ বাবে কোনো অজুহাত অৱশিষ্ট নাথাকে; ইয়াৰ পিছতো যদি কাফিৰ সকলে মুবাহিলা নকৰে আৰু কাফিৰৰ পৰা বিমুখ নহয় তেতিয়া আমাৰ তৰফৰ পৰা সিহঁতৰ ওপৰত দলিল প্ৰমাণ পূৰ্ণ হৈ গৈছে। অৱশেষত এয়াও স্মৰণ ৰাখিব যে মুবাহিলাৰ আগতে আমাৰ অধিকাৰ হ'ব যে আমি কাফিৰ সকলৰ সন্মুখত সাধাৰণ সভাত নিজৰ ইছলামৰ অজুহাতবোৰ উত্থাপন কৰো।

والسلام علٰی من اتّبع الھُدٰی.

সেই সকলৰ ওপৰত শান্তি বৰ্ষিত হওঁক যিসকলে হিদায়তৰ অনুসৰণ কৰে।

**বিনীত**
**মিৰ্জা গোলাম আহমদ**
**৩০ শ্বোৱাল চন ১৩১০ ইং**

## আতমামে হুজ্জত (দলিল প্ৰমাণ পূৰ্ণ হ'ল)

যদি মহম্মদ হুছেইন বাটালৰী ১০ জিলকাদা ১৩১০ হিজৰীত মুবাহিলাৰ বাবে উপস্থিত নহয় তেতিয়া সেই দিনৰে পৰাই বুজা যাব যে যি ভৱিষ্যদ্বাণী তেওঁৰ পক্ষত প্ৰকাশিত হৈছিল যে তেওঁ কাফিৰ কোৱাৰ পৰা তৌবা কৰিব, সেয়া পূৰ্ণ হৈ গ'ল। অৰশেষত মই দোৱা কৰো যে হে খোদা সেই অত্যাচাৰী, সীমা লঙ্ঘনকাৰী আৰু মিছলীয়াক লাঞ্ছিত কৰা আৰু অভিশপ্ত কৰা যিসকলে এই মুবাহিলাৰ আমন্ত্ৰণ নিৰ্ধাৰিত চহৰ, স্থান আৰু সময়ৰ পিছতো মুবাহিলাৰ বাবে মোৰ মোকাবিলাত ময়দানলৈ নাহিলে আৰু কাফিৰ কোৱাৰ পৰা আৰু অত্যাচাৰৰ পৰা বিৰত নাথাকিলে। আমীন-আকৌ আমীন-

یاایھاا لمکفرون تعالوا الی امرھوسنۃ اللّٰہ ونبیہ لافحام المکفّرین المکذّبین.
فان تولیتم فاعلموا ان لعنۃ اللّٰہ عل المکفّرین الذین استبان تخلفھم وشھد تخوفھم
انھم کانوا کاذبین.

**مرزا غلام احمد قادیانی**

ইয়াত গোটেই অস্বীকাৰকাৰীক নিৰ্ধাৰিত তাৰিখ ১০ জিলকাদা ১৩১০ হিজৰীত অমৃতছৰত প্ৰত্যাহ্বানৰ বাবে আহ্বান কৰা হয়।